# NSD NEWS BULLETIN
# AKASHVANI, GUWAHATI
0000000000

**Date :** 08-10-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*
## HEADLINES

০০০০০০০০০

১।	বিজেপিয়ে ৯০ জনীয়া হাৰিয়ানাত বিধানসভাত একেৰাহে তৃতীয়বাৰৰ বাবে ক্ষমতা দখল কৰাৰ সম্ভাৱনা স্পষ্ট হৈ পৰিছে। নেচনেল কনফাৰেন্স আৰু কংগ্ৰেছ মিত্ৰজোঁটে ৯০ জনীয়া জম্মু-কাশ্মীৰ বিধানসভাত সংখ্যা গৰিষ্ঠতা লাভৰ কৰি চৰকাৰ গঠনৰ দিশে অগ্ৰসৰ হৈছে।

২।	ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি নতুন দিল্লীত ২০২২ বৰ্ষৰ বাবে ৭০ সংখ্যক ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটাসমূহ প্ৰদান কৰে।

৩।	পশ্চিমবংগৰ কলকাতাৰ আৰ জি কৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ জ্যেষ্ঠ শিক্ষক-শিক্ষয়িত্ৰীসকলে আজি সমূহীয়াভাৱে পদ ত্যাগ কৰে।

৪।	অটল পেঞ্চন যোজনাৰ অধীনত বৰ্তমানলৈকে ৭ কোটিৰো অধিক লোকে নাম অন্তৰ্ভুক্ত কৰিছে। ***আৰু***

৫।	জন এইচ হোপফীল্ড আৰু জেফৰি ই হিন্তনক কৃত্ৰিম স্নায়ুতন্ত্ৰৰ মাধ্যমেৰে যন্ত্ৰ শিক্ষণ সম্ভৱ কৰি তোলা বুনিয়াদি আৱিস্কাৰ আৰু উদ্ভাৱনৰ বাবে ২০২৪ চনৰ পদাৰ্থ বিজ্ঞান নবেল বঁটাৰে সন্মানিত কৰা হৈছে।

০০০

জম্মু-কাশ্মীৰ আৰু হাৰিয়ানা বিধানসভা নিৰ্বাচনৰ ভোটগণনা চলি আছে। ফলাফলৰ শেহতীয়া ধাৰা অনুসৰি নেচনেল কনফাৰেন্স আৰু কংগ্ৰেছ মিত্ৰজোঁটে ৯০ জনীয়া জম্মু-কাশ্মীৰ বিধানসভাত সংখ্যা গৰিষ্ঠতা লাভৰ কৰি চৰকাৰ গঠনৰ দিশে অগ্ৰসৰ হৈছে। বিজেপিয়ে ৯০ জনীয়া হাৰিয়ানাত বিধানসভাত একেৰাহে তৃতীয়বাৰৰ বাবে ক্ষমতা দখল কৰাৰ সম্ভাৱনা স্পষ্ট হৈ পৰিছে।

হাৰিয়ানাত বৰ্তমানলৈকে ৬৩ খন আসনৰ ফলাফল ঘোষণা কৰা হৈছে। ইয়াৰ ভিতৰত বিজেপিয়ে ৩১ খন জয়লাভ কৰাৰ বিপৰীতে ১৮ খনত আগবাঢ়ি আছে। আনহাতে কংগ্ৰেছে ৩০ খন আসনত জয়ী হৈছে আৰু ৬ খনত অগ্ৰগতি লাভ কৰিছে। ইণ্ডিয়ান নেচনেল লোকদলে দুখনত অগ্ৰগতি লাভ কৰিছে। নিৰ্দলীয় প্ৰাৰ্থী দুখনত জয়ী হৈছে আৰু এখন আসনত আগবাঢ়ি আছে।

বিজেপি নেতা তথা প্ৰাক্তন মুখ্যমন্ত্ৰী নায়াব সিং ছেইনী লাড়ৱা আসনত জয়লাভ কৰিছে। জুলানা সমষ্টিত কংগ্ৰেছ প্ৰাৰ্থী ৱিনেছ ফোগাটে জয়লাভ কৰিছে। কংগ্ৰেছৰ আফতাব আহমেদে নুহ আসনখন দখল কৰিছে। কংগ্ৰেছ নেতা তথা ৰাজ্যখনৰ প্ৰাক্তন মুখ্যমন্ত্ৰী ভূপিন্দৰ সিং হুডায়েও গড়হি ছাম্পলা কিল'লি সমষ্টিত জয়ী হৈছে। বিজেপিৰ মনোজ কুমাৰ পলৱাল, নিখিল মদন শোণিপত আসনত জয়লাভ কৰিছে। ৯০ জনীয়া হাৰিয়ানা বিধানসভাৰ বাবে ৫ অক্টোবৰত ভোটগ্ৰহণ অনুষ্ঠিত হৈছে।

ইপিনে, জম্মু-কাশ্মীৰত বৰ্তমানলৈকে ৮৯ কন আসনৰ ফলাফল ঘোষণা কৰা হৈছে। নেচনেল কনফাৰেন্সে ৪১ খন আসনত জয়লাভ কৰাৰ বিপৰীতে এখন আসনত আগবাঢ়ি আছে। বিজেপি ২৯ খনত, কংগ্ৰেছ ৬ খনত,

জম্মু-কাশ্মীৰ ডেম'ক্ৰেটিক পাৰ্টি তিনিখন, জম্মু-কাশ্মীৰ পিপলছ্ কনফাৰেন্স এখনত, চি পি আই এম এখনত, আম আদমী পাৰ্টী এখনত আৰু নিৰ্দলীয় প্ৰাৰ্থী ৭ খন আসনত জয়ী হৈছে।

ৰাজ্যখনৰ প্ৰাক্তন মুখ্যমন্ত্ৰী তথা নেচনেল কনফাৰেন্সৰ নেতা ওমৰ আব্দুল্লাহ্ বদগাম আৰু গান্দেৰবল দুয়োখন আসনতে জয়লাভ কৰিছে। একেদৰে কংগ্ৰেছৰ পীৰজাদা মহম্মদ ছৈয়দ অনন্তনাগ আসনত জয়লাভ কৰিছে। নেচনেল কনফাৰেন্সৰ আব্দুল মাজিদ ভাট অনন্তনাগ পশ্চিম আসনত আৰু জম্মু কাশ্মীৰ পিপুলছ কনফাৰেন্সৰ ছজ্জাদ গনি ল'নে হাণ্ডৱাৰা আসনত জয়ী হৈছে। বিজেপিৰ দৰ্শন কুমাৰে বাচ'লি আসনত জয়লাভ কৰাৰ বিপৰীতে দলৰ আন এগৰাকী প্ৰাৰ্থী ৰণবীৰ সিং পাঠানীয়া উধমপুৰ পূব সমষ্টিত জয়ী হৈছে। বিজেপিৰ ছগুন পৰিহাৰ কিস্তৱাৰ আসনত আৰু ড০ ভাৰত ভূষণ কথুৱাত জয়ী হৈছে। ইয়াৰ বিপৰীতে নেচনেল কনফাৰেন্সৰ নাজিৰ আহমেদে গুৰেজ আসনৰ পৰা এহাজাৰৰো অধিক ভোটত জয়ী হৈছে। দলৰ আন এগৰাকী ছলমান সাগৰে হজৰতবল সমষ্টি দখল কৰিছে।

৯০ জনীয়া জম্মু-কাশ্মীৰ বিধানসভাৰ বাবে ১৮ আৰু ২৫ চেপ্তেম্বৰ আৰু পহিলা অক্টোবৰত ৩ টা পৰ্যায়ত ভোটগ্ৰহণ অনুষ্ঠিত হৈছিল।

০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি নতুন দিল্লীত ২০২২ বৰ্ষৰ বাবে ৭০ সংখ্যক ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটাসমূহ প্ৰদান কৰে। বিশিষ্ট অভিনেতা মিথুন চক্ৰৱৰ্তীক ভাৰতীয় চলচ্চিত্ৰৰ সৰ্বোচ্চ সন্মান দাদা চাহেব ফাল্কে বঁটাৰে সন্মানিত কৰা হয়। কানাড়া ছবি কান্তাৰাত কৰা অনবদ্য অভিনয়ৰ বাবে ঋষভ ছেট্টিক শ্ৰেষ্ঠ অভিনেতাৰ বঁটাৰে সন্মানিত কৰা হয়। লগতে নিত্যা মেননক তামিল ছবি তিৰুচিত্ৰাম্বলমত আৰু মানসী পাৰেখক গুজৰাটী ছবি কাটছ্ এক্সপ্ৰেছত কৰা মননশীল অভিনয়ৰ বাবে যুটীয়াভাৱে শ্ৰেষ্ঠ অভিনেত্ৰীৰ বঁটা প্ৰদান কৰা হয়।

ইপিনে অনিৰুদ্ধ ভট্টাচাৰ্য আৰু পাৰ্থিৱ ধৰে ৰচনা কৰা Kishore Kumar: The Ultimate Biography গ্ৰন্থখনক চলচ্চিত্ৰ ক্ষেত্ৰৰ সৰ্বশ্ৰেষ্ঠ গ্ৰন্থ হিচাপে পুৰস্কৃত কৰা হয়। এইবেলি ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটাত সৰ্বশ্ৰেষ্ঠ চলচ্চিত্ৰ হিচাপে মালায়ালম চলচ্চিত্ৰ অট্টমক আৰু তথ্য চিত্ৰ শিতানত সৰ্বশ্ৰেষ্ঠ হিচাপে আয়েনাক নিৰ্বাচন কৰা হৈছে। উঁচায়ি চলচ্চিত্ৰখনৰ বাবে সুৰজ বৰজাত্যক শ্ৰেষ্ঠ পৰিচালক হিচাপে সন্মানিত কৰা হয়। সংগীত শিতানত অৰিজিত সিং আৰু বোম্বে জয়শ্ৰীক ক্ৰমে শ্ৰেষ্ঠ পুৰুষ আৰু মহিলা নেপথ্য কণ্ঠশিল্পী বঁটা প্ৰদান কৰা হয়। আনহাতে, কুলনন্দিনী মহন্ত পৰিচালিত অসমীয়া চিনেমা এমুঠি পুঠিকে ধৰি পুনিয়ান ছেলভন-১, কে জিএফ-২, ব্ৰহ্মাস্ত্ৰ, অপৰাজিত, কাবেৰী, অন্তৰ্ধান, দমন আৰু বাঘি দি ধি চলচ্চিত্ৰকেইখনকো বিশেষ বঁটাৰে পুৰস্কৃত কৰা হয়।

অনুষ্ঠানক সম্বোধন কৰি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে দাদা চাহেব ফাল্কে বঁটা লাভ কৰাৰ বাবে মিথুন চক্ৰৱৰ্তীক অভিনন্দন জনায় আৰু অভিনেতাগৰাকীয়ে চলচ্চিত্ৰ জগতলৈ আগবঢ়োৱা অৱদানৰ ভূয়সী প্ৰশংসা কৰে। অনুষ্ঠানত ভাগ লৈ তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কয় যে, চৰকাৰে ৩ টা স্তৰৰ দৃষ্টিভংগীৰে চলচ্চিত্ৰ উদ্যোগ উন্নয়নৰ হকে কাম কৰি আছে। তেওঁ কয় যে, সংশ্লিষ্ট সকলো পক্ষৰ সমূহীয়া প্ৰচেষ্টাই ভাৰতীয় চলচ্চিত্ৰৰ যাদুৰ সৃষ্টি কৰিছে। মন্ত্ৰীগৰাকীয়ে কয় যে, এন ডি এ চৰকাৰ সৃজনশীল অৰ্থব্যৱস্থাক নতুন পৰিসৰ প্ৰদান কৰিবলৈ বদ্ধপৰিকৰ।

০০০

পশ্চিমবংগৰ কলকাতাৰ আৰ জি কৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ জ্যেষ্ঠ শিক্ষক-শিক্ষয়িত্ৰীসকলে আজি সমূহীয়াভাৱে পদ ত্যাগ কৰে। তেওঁলোকে যোৱা আগষ্টত মহাবিদ্যালয়খনৰ এগৰাকী চিকিৎসকৰ ধৰ্ষণ আৰু

হত্যাৰ বিৰুদ্ধে প্ৰতিবাদৰত কণিষ্ঠ চিকিৎসকসকলৰ প্ৰতি সমৰ্থন প্ৰকাশ কৰি এই পদক্ষেপ গ্ৰহণ কৰিছে। ইপিনে, ৰাজ্যখনৰ মুখ্য সচিব মনোজ পণ্টে চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়সমূহৰ প্ৰতিনিধিবৰ্গৰ সৈতে এখন বৈঠকত মিলিত হৈছে। বৈঠকত পশ্চিমবংগৰ স্বাস্থ্য সচিব উপস্থিত আছে।

০০০

পেঞ্চন পুঁজি নিয়ন্ত্ৰণ আৰু উন্নয়ন প্ৰাধীকৰণে প্ৰকাশ কৰা তথ্য অনুসৰি চলিত বিত্তীয় বৰ্ষত অটল পেঞ্চন যোজনাৰ অধীনত ৫৬ লাখৰো অধিক লোকে নাম অন্তৰ্ভুক্ত কৰিছে। ইয়াকৈ লৈ এই আঁচনিত নাম অন্তৰ্ভুক্ত কৰা লোকৰ সংখ্যা ৭ কোটিৰো অধিক হৈছে। সামাজিক সুৰক্ষাৰ এই আঁচনিখনে বৰঙণিৰ আধাৰত অসংগঠিত ক্ষেত্ৰৰ শ্ৰমিকসকলৰ বাবে মাহে কমেও এহেজাৰ টকাৰ পৰা ৫ হাজাৰ টকাৰ পেঞ্চন নিশ্চিত কৰে। সকলো ভাৰতীয় বিশেষকৈ অসংগঠিত খণ্ডৰ শ্ৰমিকসকলৰ বাবে সাৰ্বজনিন সামাজিক সুৰক্ষা ব্যৱস্থা গঢ়ি তোলাৰ উদ্দেশ্যে ২০১৫ চনত এই আঁচনিখন আৰম্ভ কৰা হৈছিল।

০০০

জন এইচ হোপফীল্ড আৰু জেফৰি ই হিন্তনক কৃত্ৰিম স্নায়ুতন্ত্ৰৰ মাধ্যমেৰে যন্ত্ৰ শিক্ষণ সম্ভৱ কৰি তোলা বুনিয়াদি আৱিস্কাৰ আৰু উদ্ভাৱনৰ বাবে ২০২৪ চনৰ পদাৰ্থ বিজ্ঞান নৱেল বঁটাৰে সন্মানিত কৰা হৈছে। নৱেল বঁটা প্ৰাপক বিজ্ঞানী দুগৰাকীয়ে আধুনিক সময়ত শক্তিশালী যন্ত্ৰ শিক্ষণৰ ভেঁটি গঢ়াৰ বাবে ভৌতিক আহিলাৰ ব্যৱহাৰ কৰিছে। জন হোপফীল্ডে তথ্যৰ প্ৰতিচ্ছবি আৰু অন্য আৰ্হীৰ  সংৰক্ষণ আৰু পুনৰ গঠনৰ বাবে সহযোগী স্মৃতিভঁড়াল গঢ়ি তুলিছে। জেফৰি  হিন্তনে তথ্যৰ গুণ আৰু ছবিৰ বিশেষ উপাদান চিনাক্ত কৰিব পৰা এটা পদ্ধতি আৱিস্কাৰ কৰিছে।

০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি প্ৰাক্তন নেতা ৰামবিলাস পাছোৱানৰ মৃত্যু বাৰ্ষিকীত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। সামাজিক মাধ্যমত এটা পোষ্ট্যোগে প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে শ্ৰীপাছোৱান এনে এক ব্যক্তিত্ব যিয়ে দৰিদ্ৰতা দূৰ কৰা তথা শক্তিশালী আৰু উন্নত ভাৰত গঢ়াৰ বাবে উৎসৰ্গিত এজন অসাধাৰণ নেতা। ৰামবিলাস পাছোৱানক ভাৰতীয় ৰাজনৈতিক ক্ষেত্ৰখনৰ অন্যতম সমাদৃত নেতা বুলি উল্লেখ কৰি শ্ৰীমোদীয়ে নেতাগৰাকীৰ সৈতে একেলগে কাম কৰাৰ সুবিধা পোৱাৰ বাবে কৃতজ্ঞ অনুভৱ কৰে বুলিও লগতে প্ৰকাশ কৰে।

০০০

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি জাৰ্মানীৰ প্ৰতিৰক্ষা মন্ত্ৰী বৰিছ্ পিষ্ট'ৰিয়ছৰ সৈতে টেলিফোনযোগে কথা পাতে। শ্ৰীসিঙে সামাজিক মাধ্যমৰ এটা পোষ্টযোগে কৈছে যে, কথোপকথনৰ সময়ত দুয়োগৰাকী নেতাই প্ৰতিৰক্ষা ঔদ্যোগিক সহযোগিতা আৰু যোগান শৃংখলা শক্তিশালী কৰাৰ বিভিন্ন উপায় সম্পৰ্কে আলোচনা কৰে। আলোচনাকালত বায়ু আৰু সামুদ্ৰিক ক্ষেত্ৰৰ অনুশীলনসহ বৰ্তমানৰ বিভিন্ন সহযোগিতামূলক কাম-কাজৰো পৰ্যালোচনা চলোৱা বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। দুয়োগৰাকী মন্ত্ৰীয়ে ভাৰত আৰু জাৰ্মানীৰ যুটীয়া প্ৰকল্পসমূহৰ লগতে প্ৰতিৰক্ষা গতিবিধি সঠিক ৰূপ প্ৰদানৰ উদ্দেশ্যে অদূৰ ভৱিষ্যতে পৰিকল্পনা কৰা বুলিও শ্ৰীসিঙে জানিবলৈ দিয়ে।

০০০

ঃঃ সমাপ্ত ঃঃ